আজান আৰু নামাজৰ প্ৰথম শাৰীৰ যি ফজীলত আছে, সেয়া যদি মানুহে জানিলেহেঁতেন, আৰু লটাৰিৰ বাহিৰে বেলেগ কোনো উপায়ে যদি এই সুযোগ লাভ কৰাটো সম্ভৱ নহ'লহেঁতেন তেন্তে সিহঁতে নিশ্চয় লটাৰিয়ে কৰিলেহেঁতেন।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "আজান আৰু নামাজৰ প্ৰথম শাৰীৰ যি ফজীলত আছে, সেয়া যদি মানুহে জানিলেহেঁতেন, আৰু লটাৰিৰ বাহিৰে বেলেগ কোনো উপায়ে যদি এই সুযোগ লাভ কৰাটো
সম্ভৱ নহ'লহেঁতেন তেন্তে সিহঁতে নিশ্চয় লটাৰিয়ে কৰিলেহেঁতেন। জোহৰৰ নামাজ আওৱাল ওৱাক্তত আদায় কৰাৰ যি ছোৱাব আছে, সেয়া যদি সিহঁতে জানিলেহেঁতেন তেন্তে সিহঁতে ইয়াৰ বাবে প্ৰতিযোগিতা কৰিলেহেঁতেন। এইদৰে ঈশ্বা আৰু ফজৰৰ নামাজ (জামাত)ত পঢ়াৰ যি
ছোৱাব আছে, সেয়া যদি সিহঁতে জানিলেহেঁতেন তেন্তে সিহঁতে শিশুৰ দৰে আঠুৰ ওপৰত ভৰ কৰি চোঁচৰি হ'লেও আহিলহেঁতেন।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, যদি মানুহে আজান আৰু নামাজৰ প্ৰথম শাৰীৰত থকা ফজীলত, খাইৰ তথা বৰকত সম্পৰ্কে জানিলেহেঁতেন, তেন্তে সিহঁতে এই সুযোগ লাভ কৰিবলৈ লটাৰি কৰিবলগীয়া হ'লেও কৰিলেহেঁতেন যে, লটাৰিত যাৰ যাৰ নাম ওলাব সিয়ে এই স্থান লাভ কৰিব। এইদৰে সিহঁতে যদি আওৱাল ওৱাক্তৰ ফজীলত সম্পৰ্কে গম পালেহেঁতেন তেন্তে সিহঁতে প্ৰতিযোগিতা কৰিলেহেঁতেন। এইদৰে সিহঁতে যদি ঈশ্বা আৰু ফজৰৰ চালাতত চামিল হোৱাৰ ছোৱাব সম্পৰ্কে অৱগত হ'লহেঁতেন তেন্তে সিহঁতে আগভাগ ল'বলৈ শিশুৰ দৰে চোঁচৰি আহিব লগা হ'লেও আহিলহেঁতেন।

http://www.sunnah.global/hadeeth/as/show/65735